জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ১২৪/২০২২**

## ডিব্ৰুগড়ত অসম চৰকাৰ আৰু টাটা ট্ৰাষ্টৰ যৌথ পদক্ষেপত স্থাপন কৰা ৭ টা কৰ্কট কেন্দ্ৰৰ শুভ উদ্বোধন কৰাৰ লগতে আন ৭ টা কৰ্কট কেন্দ্ৰৰ আধাৰশিলা স্থাপন কৰিলে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে

## প্ৰধানমন্ত্ৰীৰ সাহস আৰু প্ৰেৰণাৰে অসমে প্ৰগতিৰ দিশত নতুন গতিৰে আগুৱাই যাবলৈ সক্ষম হৈছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৮ এপ্ৰিল ঃ** অসম কেন্সাৰ কেয়াৰ ফাউণ্ডেচনৰ অধীনত ১৭ খন চিকিৎসালয়ৰ সৈতে দক্ষিণ এছিয়াৰ একক সৰ্ববৃহৎ সুলভ কৰ্কট ৰোগজনিত সেৱাৰ নেটৱৰ্ক উপলব্ধকৰণৰ উদ্দেশ্যেৰে আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাজ্যপাল অধ্যাপক জগদীশ মুখী, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, বন্দৰ, জাহাজ আৰু জলপথ, আয়ুস দপ্তৰৰ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ উপস্থিতিত আজি অসম চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতাল চৌহদত ডিব্ৰুগড় কৰ্কট কেন্দ্ৰৰ শুভ উদ্বোধন কৰে। ইয়াৰ পিছতে ডিব্ৰুগড়ৰ খনিকৰত আয়োজিত বিশাল জনসমাৰেশত বুটাম টিপি ভাৰ্চুৱেলি প্ৰধানমন্ত্ৰীয়ে বৰপেটা, তেজপুৰ, যোৰহাট, দৰং, কোকৰাঝাৰ আৰু লখিমপুৰ কৰ্কট কেন্দ্ৰ উদ্বোধন কৰাৰ লগতে গোৱালপাৰা, ধুবুৰী, নগাঁও, গোলাঘাট, শিৱসাগৰ, তিনিচুকীয়া আৰু নলবাৰীত কৰ্কট কেন্দ্ৰৰ আধাৰশিলা স্থাপন কৰে তথা বিশাল জনসমুদ্ৰক সম্বোধি ভাষণ প্ৰদান কৰে।

উল্লেখ্য যে অসম চৰকাৰ আৰু টাটা ট্ৰাষ্টৰ এক যৌথ পদক্ষেপত এই কৰ্কট কেন্দ্ৰসমূহ স্থাপন কৰা হৈছে। এই কৰ্কট কেন্দ্ৰসমূহত কেম'থেৰাপী, ৰব'টিক ছাৰ্জাৰী, ব'ন মেৰ' ট্ৰান্সপ্লাণ্ট, ডায়গ্নষ্টিক এণ্ড এডভান্স ইমেজিং নিউক্লিয়াৰ মেডিচিন, ষ্টেম-চেল ৰিছাৰ্চৰ দৰে সা-সুবিধাসমূহ সন্নিৱিষ্ট কৰা হৈছে।

এই উপলক্ষে অনুষ্ঠিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে আজি অসমৰ জাতীয় জীৱনৰ বাবে গৌৰৱময় দিন। ডিব্ৰুগড়ত কৰ্কট কেন্দ্ৰ উদ্বোধন কৰাৰ লগতে অন্য ৬ টা কৰ্কট কেন্দ্ৰ উদ্বোধন কৰাৰ লগতে আন ৭ টা কৰ্কট কেন্দ্ৰৰ আধাৰশিলা স্থাপন কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৰ্কট চিকিৎসাৰ ক্ষেত্ৰত এক নতুন যুগৰ সূচনা কৰিলে। আধুনিক চিকিৎসাৰ উপলব্ধ হ'বলগীয়া এই চিকিৎসালয়সমূহে অকল ৰাজ্যখনৰে নহয়, দেশৰ অন্যান্য প্ৰান্তৰ লগতে দক্ষিণ এছিয়াৰ কৰ্কট ৰোগীসকলকো সেৱা আগবঢ়াবলৈ সক্ষম হ'ব বুলি মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে কয় যে ২০১৮ চনত টাটা ট্ৰাষ্টৰ সৈতে অসম চৰকাৰে এক বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰে। এই চুক্তি অনুসৰি অসম চৰকাৰ আৰু টাটা ট্ৰাষ্টৰ সমঅংশীদাৰিত্বৰে কেন্সাৰ কেয়াৰ ফাউণ্ডেচন গঠন কৰা হয়। সমগ্ৰ ৰাজ্যখনকে সামৰি কেন্সাৰ চিকিৎসাৰ এক সুসংহত আন্তঃগাঁথনি গঢ়িবলৈ ১৭ খন কেন্সাৰ চিকিৎসালয় স্থাপনৰ বাবে পদক্ষেপ গ্ৰহণ কৰা হৈছিল বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই প্ৰকল্প ৰূপায়ণৰ বাবে অসম

# জনসংযোগ, অসম
## মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
## প্ৰেছ বাৰ্তা

চৰকাৰে ২,৭৬৬ কোটি টকা আগবঢ়োৱাৰ বিপৰীতে টাটা ট্ৰাষ্টে ১,১৫৩ কোটি টকাৰ বৰঙণি আগবঢ়াইছে। ইয়াৰ বাবে মুখ্যমন্ত্ৰীয়ে টাটা ট্ৰাষ্টৰ অধ্যক্ষ ৰতন টাটাক বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰে।

মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অসম তথা উত্তৰ পূৰ্বাঞ্চলক প্ৰতিটো দিশতে আগুৱাই নিয়াৰ বাবে নতুন গতি, প্ৰেৰণা আৰু সাহস যোগাইছে। ৰাজ্যখনত বৰ্তমানে থকা ৮ খন চিকিৎসা মহাবিদ্যালয়ৰ উপৰি আন ৮ খন চিকিৎসা মহাবিদ্যালয় নিৰ্মাণ কৰি থকা হৈছে আৰু ৮ খন চিকিৎসা মহাবিদ্যালয়ৰ অনুমোদন জনোৱা হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে যি ২৪ খন চিকিৎসা মহাবিদ্যালয় নিৰ্মাণ হ'ব সেয়া প্ৰধানমন্ত্ৰীৰ প্ৰেৰণাৰ বাবে সম্ভৱ হৈছে। ক'ভিড মহামাৰীৰ বিৰুদ্ধে অতি কম সময়ৰ ভিতৰতে স্বাস্থ্য আন্তঃগাঁথনি গঢ়ি তোলাৰ লগতে সবলভাৱে ক'ভিড প্ৰতিৰোধী যুঁজখনত আগবাঢ়ি যোৱাৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ পৰা লাভ কৰা পৰামৰ্শ আৰু কেন্দ্ৰীয় চৰকাৰৰ সহায়-সহযোগিতাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে ভেকচিন, অক্সিজেন, আইচিইউ, ঔষধকে ধৰি বিভিন্ন ক্ষেত্ৰত আগবঢ়োৱা সহায়ৰ বাবেও প্ৰধানমন্ত্ৰীক ধন্যবাদ জ্ঞাপন কৰে। ভাৰতৰ বিকাশৰ নতুন ইঞ্জিন হিচাপে অসম তথা উত্তৰ-পূৰ্বাঞ্চলক গঢ়ি তোলাৰ দিশত আকাশীপথ, স্থলপথ আৰু জলপথৰ উন্নয়ন সাধনৰ বাবে কেন্দ্ৰীয় চৰকাৰে আগবঢ়োৱা সহযোগিতাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ইয়াৰ ফলত সমগ্ৰ অঞ্চলটোৱে আজি বিকাশৰ এক নতুন পৰ্যায় লাভ কৰিবলৈ সক্ষম হৈছে। পূৰ্বতে অসমত কৰ্কট ৰোগীসকলে ভেল্লোৰ, মুম্বাই আদি ঠাইলৈকে যাবলগীয়া হৈছিল। আজি এই নতুন পদক্ষেপৰ ফলত অত্যাধুনিক কৰ্কট ৰোগৰ চিকিৎসা সেৱা ৰাজ্যখনতে উপলব্ধ হ'ব বুলি মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে অসমৰ জাতীয় জীৱনৰ অমৰ নায়ক মহাবীৰ লাচিত বৰফুকনৰ ৪০০ বছৰীয়া জন্মজয়ন্তী এই বছৰৰ শেষৰ ফালে ৰাজ্য চৰকাৰে ২৪ নৱেম্বৰত নতুন দিল্লীত অনুষ্ঠিত কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে। এই অনুষ্ঠানলৈ মুখ্যমন্ত্ৰীয়ে প্ৰধানমন্ত্ৰীক আমন্ত্ৰণ জনায়। ৰাজ্যখনত অধিক উন্নত চিকিৎসা সেৱা সুনিশ্চিতকৰণৰ লক্ষ্যৰে গুৱাহাটীৰ সমীপৱৰ্তী চাংসাৰিত নিৰ্মাণ কৰি থকা এইমছ চলিত বৰ্ষৰ নৱেম্বৰ মাহত সম্পূৰ্ণ হৈ উঠিব বুলি উল্লেখ কৰি এই অনুষ্ঠান উদ্বোধন কৰাৰ বাবে মুখ্যমন্ত্ৰীয়ে প্ৰধানমন্ত্ৰীক অনুৰোধ জনায়। অসমক লৈ তেওঁ যথেষ্ট আশাবাদী বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে নৱজাগৰণৰ সূচনা কৰিবলৈ ৰাজ্যখনে যাত্ৰা আৰম্ভ কৰিছে। ভাৰতৰ উন্নত ৰাজ্যসমূহৰ শিখৰত যাতে অসমে স্থান লাভ কৰিব পাৰে সেই লক্ষ্যৰে কাম কৰি থকা হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

অনুষ্ঠানত বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, স্বাস্থ্য মন্ত্ৰী কেশৱ মহন্ত আৰু টাটা ট্ৰাষ্টৰ অধ্যক্ষ ৰতন টাটাইও অনুষ্ঠানত ভাষণ প্ৰদান কৰে। আজিৰ এই অনুষ্ঠানত কেন্দ্ৰীয় প্ৰাকৃতিক গেছ আৰু পেট্ৰ'লিয়াম দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলী, উচ্চতম ন্যায়ালয়ৰ প্ৰাক্তন মুখ্য ন্যায়াধীশ তথা সাংসদ ৰঞ্জন গগৈ, টাটা ছনচৰ অধ্যক্ষ নটৰাজন চন্দ্ৰশেখৰ, কেইবাগৰাকী মন্ত্ৰী, সাংসদ, বিধায়ক প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকলো উপস্থিত থাকে।

**অঃহাঃ / হেঃশঃ**

**২৮-০৪-২০২২**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com

/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in